ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ষষ্ঠ ষাণ্মাসিক মেজৰ পাঠ্যক্ৰমৰ আধাৰত লিখিত পাঠ্যপুথি

# ভাষা আৰু সাহিত্যৰ

## দুটিমান আলোচনা

### ষষ্ঠ ষাণ্মাসিক মেজৰ

নতুন সংশোধিত সংস্কৰণ

ড° কৰবী গগৈ
ড° দীপালি গগৈ

BANALATA
ACADEME
A Banalata Imprint

# বিষয়সূচী

## ভাষা সাহিত্য অধ্যয়নৰ বিবিধ দিশ

গণমাধ্যম ঃ এক পৰিচয়মূলক আলোচনা ১১
- ড° কৰবী গগৈ
ইলেকট্ৰনিক আৰু ছপা মাধ্যমৰ বাতৰিৰ ভাষা আৰু লেখন কলা ২৫
- প'লি বৰা
বিজ্ঞাপনৰ ভাষা ৩৩
- পৰীণিতা বুঢ়াগোহাঁই
পাণ্ডুলিপি সম্পাদনা ঃ ছপাপুথি আৰু হস্তলিখিত পুথি ৪২
- ড° পিকুমণি চুতীয়া
সাহিত্যৰ সমাজতত্ত্বৰ সাধাৰণ পৰিচয় ৫৫
- কৰবী দাস
একবিংশ শতিকাৰ অসমৰ বাতৰিকাকত আলোচনী ৬১
- নমিতা বৰুৱা

## ভাৰতীয় আৰ্যভাষা আৰু অসমীয়া ভাষা

ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ ৰূপৰেখা ৭০
- খগেশ্বৰী বৰুৱা
*নীতিশতকম্* ঃ এটি চমু পৰিচয় ৯৫
- ড° কল্যাণী গোস্বামী
অশোকৰ অনুশাসন ৯৯
- সোণমণি বৰুৱা
*ধম্মপদ* ঃ এক অৱলোকন ১১২
- পল্লৱী ফুকন
*গাহাসত্তসঈ* ঃ এটি চমু আলোচনা ১১৮
- কেশৱ হাজৰিকা

অবাচীন অপভ্ৰংশ বা অৱহট্‌ঠৰ নিদৰ্শন *সন্দেশ ৰাসক* - এটি আলোচনা ১২৮
- অনিন্দিতা গগৈ বৰুৱা

সংস্কৃত, পালি আৰু প্ৰাকৃতৰ ধ্বনিমালা তথা সন্ধিপ্ৰণালীৰ পৰিচয় ১৩৫
- গায়ত্ৰী নেৱাৰ

অসমীয়া ভাষাৰ উদ্ভৱ ১৫৯
- অচ্যুৎ দত্ত

অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কীয় মত ১৬৬
-ড° কৰবী গগৈ

অসমীয়া ভাষাৰ বিকাশ
-ববিতা গগৈ ১৬৯

## *অসমীয়া ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন*

ধ্বনিবিজ্ঞান, ধ্বনিতত্ব, বৰ্ণবিজ্ঞানৰ সাধাৰণ পৰিচয় ১৯৭
- দীপাঞ্জলী গগৈ

অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিশ্লেষণ ২২১
- মমী শ্যাম

ৰূপতত্ত্ব ঃ এক চমু পৰিচয় ২৩৪
- কৰবী গগৈ

অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিশ্লেষণ ২৪৬
- ড° হেমালক্ষ্মী গগৈ

অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক বিশ্লেষণ ঃ বাক্যৰ গঠন আৰু প্ৰকাৰ ২৮০
- মহাশ্বেতা দেৱী

## *বিশ্বসাহিত্যৰ পৰিচয়*

. বিশ্ব সাহিত্যৰ সাধাৰণ পৰিচয়
- স্মৃতিৰেখা গগৈ গায়ন ২৯২

মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলম্ - এক চমু বিশ্লেষণ ২৯৮
- প্ৰিয়মা দিহিঙ্গীয়া
মোপাছাঁৰ *হীৰাৰ হাৰ* ঃ এটি চমু আলোচনা ৩০৬
- বিনী শইকীয়া
এন্টন চেখভৰ *মাৰুচীৰ স্বপ্ন* ঃ এক বিশ্লেষণ ৩১৮
- পৰাগধৰ বৰা
অ' হেনৰীৰ 'উপহাৰ' গল্পৰ এটি আলোচনা ৩৩২
- বন্তি কলিতা
*জীৱন্মৃত* (The Dead Man Walking) *কবিতাৰ এক সামগ্ৰিক আলোচনা* ৩৪১
- ড° দীপালি গগৈ
ফেড্ৰেৰিক' গাৰ্চিয়া লৰকাৰ *প্ৰথম বাসনাৰ গীত* ৩৪৮
- ঋণজুন শইকীয়া
আলেকজেণ্ডাৰ ব্লকৰ *সময়ৰ সন্তানবোৰ* ৩৫৩
- পৰাগধৰ বৰা
কাউন্টি কিউলেনৰ *ঘটনা* (Incident) ঃ কৃষ্ণাঙ্গ লোকৰ বিষাদ গাথা ৩৫৯
- ড০ দীপালি গগৈ
*ক'লা মানুহৰ ল'ৰা* **(The Black Man's Son)** ৩৬৪
- মৃদুস্মিতা ফুকন
*কিং লিয়েৰ* ঃ এক চমু অৱলোকন ৩৬৮
- ড° গায়ত্ৰী বৰা কাকতি
*অশ্ৰুতীৰ্থ* ৩৭৬
- পাপৰি বৰা
*আফ্‌কে'জ টে'ন* ঃ জীৱনমুখী মানুহৰ গান ৩৯৫
- ড° জ্যোতিৰ্ময়ী ভট্টাচাৰ্য
**পৰিশিষ্ট ঃ** ৪০৫-৪৬৪
(ক) প্ৰশ্নকাকত
(খ) আৰ্হি প্ৰশ্ন
(গ) পাঠ্যক্ৰম
(ঘ) লেখক পৰিচিতি

# অ' হেনৰীৰ উপহাৰ গল্পৰ এটি আলোচনা

বন্তি কলিতা

**১.০০ গল্পকাৰৰ পৰিচয়**

আমেৰিকান চুটি গল্পকাৰ সকলৰ ভিতৰত এজন উল্লেখযোগ্য গল্পকাৰ অ' হেনৰীৰ প্ৰকৃত নাম আছিল উইলিয়াম ছিডনী পৰ্টাৰ (William Sindny Porter)। এইজন গল্পকাৰৰ জন্ম হৈছিল আমেৰিকাৰ গ্ৰীণছ্বৰ'ৰ নৰ্থ কেৰলিনাত ১৮৬২ চনৰ ১১ ছেপ্টেম্বৰত। সৰুতেই মাকক হেৰুৱা অ' হেনৰী আইতাক আৰু পেহীয়েকৰ তত্বাৱধানত ডাঙৰ-দীঘল হয়। অ' হেনৰীয়ে শিক্ষা শেষ কৰি বিভিন্ন বৃত্তিত নিয়োজিত হৈছিল। বেংকৰ কৰ্মচাৰী হৈ থকাৰ সময়ত বিত্তীয় কেলেংকাৰীত সোমাই তেওঁ কেইবাবছৰো কাৰাবাস খাটিব লগা হয় কাৰাবাসত থকা সময়তে তেওঁ লেখাৰ বাবে বিবিধ সমল আহৰণ কৰিছিল। আমেৰিকান চুটি গল্পৰ জগতখনলৈ যথেষ্ট সংখ্যক গল্প ৰচনাৰে অ' হেনৰীয়ে নিজৰ নাম স্মৰণীয় কৰি যাবলৈ সক্ষম হৈছে। এই গৰাকী জনপ্ৰিয় আমেৰিকান গল্পকাৰৰ মৃত্যু হয় ১৯১০ চনৰ ৫ জুনত।

আলোচনীৰ পাতত গল্প ৰচনা কৰি অ' হেনৰীয়ে গল্পকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে। অ' হেনৰীয়ে জীৱন কালত প্ৰায় পাচঁশতকৈও অধিক গল্প ৰচনা কৰিছিল। সমালোচকসকলে তেওঁৰ গল্পত থকা অপ্ৰত্যাশিত সামৰণিৰ চাতুৰ্য, বুদ্ধিদীপ্ত শ্লেষৰ প্ৰয়োগ, চৰহীয়া মানুহৰ জীৱন চিত্ৰণ আদি বিশেষত্ব সমূহৰ বাবে তেওঁৰ সমসাময়িক অন্যান্য গল্পকাৰ সকলৰ সৈতেও তেওঁক তুলনা কৰিছিল। অ' হেনৰীক "আমেৰিকাৰ চেখভ" আৰু ' ইয়াংকি মোপোছাঁ ' বুলি অভিহিত কৰা হয়।

অ' হেনৰীৰ প্ৰথম গল্প সংকলনখনৰ নাম হৈছে *Cabbages and Kings* যিখন ১৯০৪ চনত প্ৰকাশ পাইছিল।